ইণ্টাৰনেটত 'দৈনিক অসম' http://dainik.assamtribune.com

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

৭ | ওজা হেমচন্দ্ৰ বৰুৱাৰ স্মৃতি দিৱস পালন

আদালতৰ দ্বাৰস্থ অমৰ্ত্য সেন | ১০

৫৮ বছৰীয়া ঐতিহ্য ১৯৬৫-২০২২

বৰপেটা সত্ৰত স্বাস্থ্য পৰীক্ষা শিবিৰ | ৯

১২ | ফ্ৰেন্স অ'পেন, উইম্বলডনত নেখেলে ৰাডুকানুৱে



ৰ । ২৬৫ সংখ্যা, ২১ ব'হাগ, শুকুৰবাৰ, ১৯৪৫ শক । DAINIK ASAM : Assamese Daily । VOL. 58 NO. 265 । DIBRUGARH, FRIDAY, MAY 5, 2023 । পৃষ্ঠা ১৬ (Pages 16) । ৭.০০ টকা

■ কাৰ্নৈ মহাবিদ্যালয় আৰু অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ উদ্যোগ ■

## ডিব্ৰুগড় জিলাক 'ন' হ'ৰ্ন' জিলাৰূপে ঘোষণাৰ প্ৰস্তুতি

■ অমৰজ্যোতি আৰান্ধৰা

টিংখাং, ৪ মে' ঃ শব্দ প্ৰদূষণে মানুহৰ জীৱন যাত্ৰাত বাৰুকৈ প্ৰভাৱ পেলাইছে। শব্দ প্ৰদুষণে মানুহৰ চিন্তা শক্তিতো বিৰূপ প্ৰভাৱ পেলাইছে। সেয়ে শব্দ প্ৰদূষণ ৰোধ কৰি ডিব্ৰুগড় জিলাক 'ন হ'ৰ্ন' জিলাৰূপে ঘোষণা কৰাৰ প্ৰস্তুতি চলাইছে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কাৰ্নৈ মহাবিদ্যালয় আৰু অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডে। এই ক্ষেত্ৰত পূৰ্ণ সহায়ৰ হাত আগবঢ়াইছে বিশিষ্ট গৱেষক, আমেৰিকাৰ ডেকোটা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অচিন্ত্য বেজবৰুৱাই। বিগত এটা বছৰ কাৰ্নৈ মহাবিদ্যালয় আৰু ডেকোটা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বেজবৰুৱাৰ সৈতে কেইবালানিও আলোচনা হৈছে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ২৭ এপ্ৰিলৰ সন্ধিয়া অনলাইন মাধ্যমত অনুষ্ঠিত এক আলোচনাত এই বিষয়ে সিদ্ধান্ত লোৱা হয়। কাৰ্নৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰামৰ্শদাতা তথা আমেৰিকাৰ ডেকোটা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অচিন্ত্য বেজবৰুৱাই অনুষ্ঠানটিৰ গুৰি ধৰি শব্দ প্ৰদূষণ ৰোধৰ বাবে শিক্ষাৰ্থী, শিক্ষক আৰু সাধাৰণ ৰাইজক লগত লৈ এক প্ৰকল্প সম্পন্ন কৰাৰ কথা কয়। অনুষ্ঠানত প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ সদস্য সচিব শান্তনু কুমাৰ দত্তই কাৰ্নৈ মহাবিদ্যালয়ে গ্ৰহণ কৰা এই প্ৰকল্পটো অতি প্ৰশংসা কৰি কয়— অতি সোনকালে ডিব্ৰুগড় জিলাক 'ন' হ'ৰ্ন' জিলাৰূপে ঘোষণা কৰাৰ প্ৰস্তুতি চলাব। এই ক্ষেত্ৰত জিলা প্ৰশাসনৰ লগতে চৰকাৰৰো সহায় ল'ব বুলি তেওঁ কয়। কাৰ্নৈ মহাবিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় আৰু ঔদ্যোগিক সম্পৰ্কৰক্ষী ভাৰপ্ৰাপ্ত অধ্যাপিকা ড° সুনন্দা চাহৰে আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই শব্দ প্ৰদূষণে পৰিৱেশৰ লগতে জীৱনৰ মান, স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলোৱাৰ লগতে শ্ৰৱণ ক্ষমতা হেৰুওৱা, নিদ্ৰাহীনতা, মানসিক চাপ বৃদ্ধি, যোগাযোগৰ ক্ষেত্ৰতো অসুবিধাৰ সৃষ্টি কৰে বুলি কয়। অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰপৰা অন্যান্য বহুকেইগৰাকী বিষয়াই আলোচনাত ভাগ লয়। উল্লেখ্য যে এই প্ৰকল্পৰ অধীনত ইতিমধ্যে কাৰ্নৈ মহাবিদ্যালয়ত ছাত্ৰ-শিক্ষকক লৈ এখন সমিতিও গঠন কৰা হৈছে। সকলো ঠিকে থাকিলে জানুৱাৰীৰ ভিতৰত ডিব্ৰুগড় জিলা অসমৰ প্ৰথমখন শব্দবিহীন জিলাৰূপে গঢ়ি তোলাৰ সম্ভাৱনা আছে।